**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**----------------------**

oooooo

১। ৰাজ্যৰ ভিন ভিন জিলাত আজি পুৱা চাৰে ১০ বজাৰ পৰা হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰীক্ষাৰ বাবে সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ। দুহেজাৰ ৩০৫ টা কেন্দ্ৰত হ'বলগীয়া এই পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীৰ সংখ্য ১১ লাখ ২৩ হাজাৰ ২০৪।

২। গিবন অভয়াৰণ্যত তৈল খনন আৰু গেছ অন্বেষণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ মন্ত্ৰালয়ৰ অধীনস্থ বন উপদেষ্টা পৰিষদৰ অনুমতি প্ৰদান।

৩। দূৰদৰ্শনৰ গৌৰৱময় ৬৫ বছৰ যাত্ৰা আজি সম্পূৰ্ণ। **আৰু**

৪। ব্ৰুছেলছত অনুষ্ঠিত ডাইমণ্ড লীগৰ ফাইনেলত ভাৰতৰ নীৰজ চোপ্ৰাৰ দ্বিতীয় স্থান দখল।

oooooo

ৰাজ্যৰ ভিন ভিন জিলাত আজি পুৱা হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰীক্ষাৰ বাবে সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা হিচাপে অভিহিত এই পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলৰ অধিকাংশই নিজ নিজ গৃহ চহৰৰ পৰা ৰাওনা হৈ ইতিমধ্যে পৰীক্ষা কেন্দ্ৰসমূহৰ আশে-পাশে উপস্থিত হৈছে।

ৰাজ্যৰ মুঠ দুহেজাৰ ৩০৫ টা কেন্দ্ৰত হ'বলগীয়া এই পৰীক্ষাত ১১ লাখ ২৩ হাজাৰ ২০৪ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। এই নিযুক্তি পৰীক্ষাৰ বাবে প্ৰতিখন জিলা প্ৰশাসনে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে আইন শৃংখলাৰ দিশটোতো গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ হৈ অসম মাধ্যমিক শিক্ষা পৰিষদ ছেবাই আয়োজন কৰা এই পৰীক্ষাৰ সমগ্ৰ প্ৰক্ৰিয়াটোক কোনো অসাধু চক্ৰই কোনো ধৰণে অস্থিৰ কৰি তোলাটোক প্ৰতিহত কৰাৰ উদ্দেশ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। সেই অনুসৰি পৰীক্ষাৰ সময়ছোৱাত অৰ্থাৎ আজি দিনৰ ১০ বজাৰ পৰা বিয়লি ডেৰ বজালৈ ৰাজ্যজুৰি ম'বাইল ইণ্টাৰনেট, ৱাই-ফাই আদি সংযোগ বন্ধ থাকিব। উল্লেখযোগ্য যে পৰীক্ষা কেন্দ্ৰলৈ মোবাইল ফোন, যিকোনো ইলেকট্ৰনিক সঁজুলি, ঘড়ী, ইলেকট্ৰনিক পেন, স্কেনাৰ, ব্লুটুথ, এয়াৰফোন, মাইক্ৰ'ফোন, কেলকুলেটৰ, পেনড্ৰাইভ আৰু অন্যান্য সংৰক্ষণ মাধ্যমৰ যন্ত্ৰসমূহ নিয়াটো নিষিদ্ধ কৰা হৈছে। প্ৰাৰ্থীসকলে পৰীক্ষা কেন্দ্ৰলৈ ক'লা আৰু নীলা চিয়াঁহীৰ বল পেন, পেঞ্চিল আৰু ৰবৰ লৈ যাব পাৰিব। পৰীক্ষা কেন্দ্ৰসমূহত খোৱাপানীৰ উপযুক্ত ব্যৱস্থা থকাৰ পৰিপ্ৰেক্ষিতত কোনো পৰীক্ষাৰ্থীকেই খোৱাপানী লৈ নাযাবলৈ কোৱা হৈছে।

আনহাতে আজিৰ পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ ভিন ভিন জিলাত প্ৰয়োজন সাপেক্ষে বজাৰ, দোকান-পোহাৰ আদি বন্ধ ৰখাৰ বাবে সংশ্লিষ্ট প্ৰশাসনসমূহে নিৰ্দেশ দিছে। এই পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত সামাজিক মাধ্যমৰ

প্ৰতিও সংশ্লিষ্ট কৰ্তৃপক্ষসমূহে কঠোৰ দৃষ্টি নিক্ষেপ কৰি আছে। তৃতীয় বৰ্গৰ পদৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ সচিবৰ এখন বিজ্ঞপ্তিত যিকোনো ধৰণৰ অসামাজিক তথা ভুৱা বাতৰিত ভোল নাযাবলৈ ৰাইজক আহ্বান জনোৱা হৈছে।

উল্লেখযোগ্য যে, কামৰূপ মহানগৰ জিলাত স্থাপন কৰা ৩২৯টা পৰীক্ষা কেন্দ্ৰত ৰাজ্যৰ ভিতৰত সৰ্বাধিক এক লাখ ৬৭ হাজাৰ ৮১৯ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। ৰাজ্যৰ সকলো জিলাৰ প্ৰতিটো পৰীক্ষা কেন্দ্ৰতেই আৰক্ষী আৰু প্ৰশাসনে প্ৰয়োজনীয় সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা বুলি জিলা প্ৰশাসনৰ উদ্ধৃতিৰে আকাশবাণীৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

০০০০০০

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে অহা ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত কৰিবলগীয়া স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পদ আৰু মেট্ৰিক পৰ্যায়ৰ চালকৰ তৃতীয় বৰ্গৰ পদৰ লিখিত পৰীক্ষাৰ বাবে প্ৰৱেশ পত্ৰ অহা ১৬ ছেপ্তেম্বৰৰ পৰা প্ৰদান কৰা হ'ব। এই সন্দৰ্ভত আয়োগে প্ৰকাশ কৰা এখন জাননী অনুযায়ী ১৬ ছেপ্তেম্বৰৰ পুৱা ১১ বজাৰ পৰা অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in আৰু অসম মাধ্যমিক পৰিষদৰ ৱেবছাইট www.site.sebaonline.orgৰ জৰিয়তে প্ৰাৰ্থীসকলে প্ৰৱেশ পত্ৰসমূহ ডাউনল'ড কৰিব পাৰিব। লিখিত পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলে প্ৰৱেশ পত্ৰৰ লগতে আধাৰ কাৰ্ড, পান কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ কাৰ্ডকে ধৰি নিৰ্ধাৰিত ফটোযুক্ত পৰিচয় পত্ৰ দেখুওৱাব লাগিব। আয়োগে লগতে প্ৰৱেশ পত্ৰত সন্নিবিষ্ট হৈ থকা নীতি-নিৰ্দেশনাসমূহ প্ৰাৰ্থীসকলে মানি চলিব লাগিব বুলি নিৰ্দেশনাটোত উল্লেখ কৰিছে। উল্লেখযোগ্য যে ২৯ ছেপ্তেম্বৰৰ দিনা আগবেলা পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষা আৰু পাছবেলা দুপৰীয়া ডেৰ বজাৰ পৰা বিয়লি চাৰে ৪ বজালৈ মেট্ৰিক পৰ্যায়ৰ চালকৰ পদৰ বাবে পৰীক্ষা অনুষ্ঠিত হ'ব। সংশ্লিষ্ট কৰ্তৃপক্ষই দিয়া তথ্য অনুযায়ী স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ ৪ হাজাৰ ৫৫টা পদৰ বাবে ৫ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী প্ৰাৰ্থী আৰু চালকৰ ৪১৮টা পদৰ বাবে ২ লাখ ৪ হাজাৰ ৯৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ মন্ত্ৰালয়ৰ অধীনস্থ বন উপদেষ্টা পৰিষদে ৰাজ্যৰ গিবন অভয়াৰণ্যত তৈল খননৰ অনুমতি প্ৰদান কৰিছে। বেদান্ত্ তেল আৰু গেছ কোম্পানীক গিবন অভয়াৰণ্যৰ ৪ দশমিক ৪-৯ হেক্টৰ ভূমিত তৈল খননৰ অনুমতি প্ৰদান কৰা হৈছে। যোৰহাটৰ হোলোঙাপাৰৰ গিবন অভয়াৰণ্যত প্ৰতিষ্ঠানটোক তৈল খনন চলোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ মন্ত্ৰালয়ে প্ৰথম পৰ্যায়ৰ সেউজ সংকেত প্ৰদান কৰে। উল্লেখযোগ্য যে দেশৰ হলৌ বান্দৰৰ একমাত্ৰ বাসস্থানৰ লগতে কেইবাবিধো দুষ্প্ৰাপ্য বন্য জীৱজন্তুৰ আৱাসভূমি হিচাপে পৰিচিত গিবন অভয়াৰণ্যখনত বেদান্ত তৈল খননক ইতিমধ্যে ৰাজ্য চৰকাৰৰ মুখ্য বন সংৰক্ষক আৰু মুখ্য বন্যপ্ৰাণী সংৰক্ষকে অনুমোদন দিছে। ৰাজ্য চৰকাৰৰ অনুমোদনৰ ভিত্তিতেই কেন্দ্ৰীয় চৰকাৰৰ বন উপদেষ্টা পৰিষদে এইক্ষেত্ৰত অনুমোদন দিয়া বুলি প্ৰকাশ কৰা হৈছে। যোৱা ২৭ আগষ্টত ৰাজ্যৰ মুখ্য বন্যপ্ৰাণী সংৰক্ষক আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ মন্ত্ৰালয়ৰ মাজত অনুষ্ঠিত বৈঠকত গিবন অভয়াৰণ্যত তৈল খননক অনুমোদন দিয়া হৈছিল।

০০০০০০

ফ্ৰান্সৰ প্ৰযুক্তি কোম্পানী দাছ্লেট অসমত ২০০ কোটি টকা বিনিয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যৰ প্ৰযুক্তি আৰু উদ্ভাৱনী প্ৰযুক্তিৰ প্ৰশিক্ষণৰ  ক্ষেত্ৰত কোম্পানীটোৱে এই ধনৰাশি বিনিয়োগ কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই প্ৰকল্পত ৰাজ্য চৰকাৰে ৪০ কোটি টকা বৰঙণি আগবঢ়াব। অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ তত্বাৱধানত এই প্ৰকল্প ৰূপায়িত হ'ব। এই প্ৰকল্পৰ অধীনত বিমান পৰিবহণ, প্ৰতিৰক্ষা, মহাকাশ আৰু ইলেকট্ৰনিক ক্ষেত্ৰত ৰাজ্যৰ অভিযান্ত্ৰিক ক্ষেত্ৰৰ শিক্ষাৰ্থীক প্ৰশিক্ষণ দিব।

**ঃঃ ভইচ ঃঃ**

০০০০০০

দূৰদৰ্শনে আজি নিজৰ গৌৰৱময় যাত্ৰাৰ ৬৫ বছৰ সম্পূৰ্ণ কৰিছে। ১৯৫৯ চনৰ ১৫ ছেপ্টেম্বৰত প্ৰতিষ্ঠা হোৱা দূৰদৰ্শনৰ জৰিয়তে ভাৰতে  সম্প্ৰচাৰ যুগৰ পাতনি মেলিছিল৷ সেই সময়ৰ ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে আনুষ্ঠানিকভাবে দূৰদৰ্শনৰ এই যাত্ৰাৰ শুভাৰম্ভ কৰিছিল৷ ১৯৭৫ চনলৈকে দূৰদৰ্শন অল ইণ্ডিয়া ৰেডিঅ'ৰ এটা  অংশ আছিল৷ ১৯৭৬ চনৰ ১ এপ্ৰিলত ই তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ এটা সুকীয়া বিভাগলৈ ৰূপান্তৰিত হয় আৰু পিছলৈ প্ৰসাৰ ভাৰতীৰ অধীনলৈ আহে৷ আজিও দূৰদৰ্শন ভাৰতৰ সৰ্ববৃহৎ সম্প্ৰচাৰ সত্বা হিচাপে পৰিচিত হৈ আছে।

০০০০০০

গোৱালপাৰা মহাবিদ্যালয়ত স্থাপন কৰা এফ এম ৰেডিঅ' কেন্দ্ৰটো কালি শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ৰেডিঅ' কেন্দ্ৰটোৰ উদ্বোধনী সভাখনত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ সুভাষ বৰ্মনে সভাপতিত্ব কৰে। সভাত মন্ত্ৰাগৰাকীয়ে মহাবিদ্যালয়ৰ আন্তঃগাঁথনি আৰু ছাফ-চিকুণতা তথা ছাত্ৰ-ছাত্ৰীৰ শৃংখলাবদ্ধতাত সন্তুষ্টি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে এফ এম ৰেডিঅ' ৮৯ দশমিক ৬ কেন্দ্ৰটো উদ্বোধন কৰি এয়া অসমৰ ভিতৰত মহাবিদ্যালয়ৰ প্ৰথমটো অনাতাঁৰ কেন্দ্ৰ বুলি কয়। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ সুভাষ বৰ্মনৰ ব্যতিক্ৰমী চিন্তাধাৰাৰে অনাতাঁৰ কেন্দ্ৰটো স্থাপন কৰা হয়। অধ্যক্ষগৰাকীয়ে কয় যে, এই অনাতাঁৰ কেন্দ্ৰটোৰ জৰিয়তে শিক্ষা, চিকিৎসা, কৃষিৰ লগতে নিবনুৱাসকলৰ বাবে বিশেষ অনুষ্ঠান পৰিৱেশন কৰা হ'ব। অনাতাঁৰ কেন্দ্ৰটোৱে সাংস্কৃতিক অনুষ্ঠানৰো প্ৰচাৰ চলাব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তিনিদিনীয়া কাৰ্যসূচীৰে ঝাৰখণ্ড, গুজৰাট আৰু ওড়িশা ভ্ৰমণলৈ যাব। শ্ৰী মোদীয়ে আজি ঝাৰখণ্ডলৈ যাব আৰু জামছেদপুৰৰ টাটা নগৰ ৰে'লৰে ষ্টেচনৰ পৰা টাটা নগৰ-পাটনা বন্দে ভাৰত ৰে'ল গাড়ীকে ধৰি ৬ খন বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰা পতাকা জোকাৰি শুভাৰম্ভ কৰিব। ৰে'ল নেটৱৰ্কৰ আধুনিকীকৰণ আৰু ঝাৰখণ্ড তথা চুবুৰীয়া ৰাজ্যসমূহৰ যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা প্ৰয়াসৰ অংশ হিচাপে এই ৰে'লগাড়ীসমূহৰ যাত্ৰাৰ শুভাৰম্ভ কৰা হ'ব। শ্ৰী মোদীয়ে লগতে ৬ হেজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ ৰে'ল প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰা হ'ব।

তেওঁ লগতে টাটা নগৰত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ ২০ হাজাৰ হিতাধিকাৰীৰ মাজত অনুদান পত্ৰ বিতৰণ কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহান, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা  আৰু ঝাৰখণ্ড বিজেপিৰ মুৰব্বী বাবুলাল মাৰান্দিও উপস্থিত থাকিব। শ্ৰী চৌহানে কয় যে, প্ৰধানমন্ত্ৰীয়ে মাত্ৰ এটা ক্লিকৰ জৰিয়তে হিতাধিকাৰীসকলৰ বেংক একাউণ্টত ৫ কোটিৰো অধিক টকা প্ৰত্যক্ষভাৱে হস্তান্তৰ কৰিব। ৪৬ হাজাৰ হিতাধিকাৰীৰ নৱনিৰ্মিত বাসগৃহৰ গৃহ প্ৰৱেশ কাৰ্যসূচীও অনুষ্ঠিত কৰা হ'ব বুলি শ্ৰী চৌহানে

লগতে জানিবলৈ দিয়ে। এই অনুষ্ঠানৰ পূৰ্বে শ্ৰী মোদীয়ে ডেৰ কিলোমিটাৰ জোৰা এটা ৰোড শ্ব'তো অংশগ্ৰহণ কৰিব।

কাইলৈ শ্ৰী মোদীয়ে গুজৰাটৰ গান্ধী নগৰত প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিদ্যুৎ যোজনাৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰিব। তেওঁ লগতে গান্ধী নগৰৰ মহাত্মা মন্দিৰত চতুৰ্থ গোলকীয় নৱীকৰণযোগ্য শক্তি বিনিয়োগকাৰীসকলৰ সন্মিলন আৰু প্ৰদৰ্শনী মুকলি কৰিব। সন্ধিয়াৰ ভাগলৈ শ্ৰী মোদীয়ে আহমেদাবাদত ৮ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব।

মঙলবাৰে প্ৰধানমন্ত্ৰী গৰাকী ওড়িশালৈ যাব। তাত তেওঁ প্ৰধানমন্ত্ৰী আবাস যোজনা-নগৰীয়াৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰী মোদীয়ে ভুবনেশ্বৰত তিনি হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০০

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে কৈছে যে, চৰকাৰে উপভোক্তাসকলক সুলভ মূল্যত পিঁয়াজ উপলভ্য কৰোৱাৰ বাবে পাইকাৰী বিক্ৰীৰ ৰণনীতি গ্ৰহণ কৰিছে। মন্ত্ৰালয়ে কৈছে যে, চৰকাৰে বৰ্ধিত চাহিদা জড়িত পৰিস্থিতি আৰু মূল্য ধাৰাৰ ভিত্তিত পিঁয়াজৰ নিৰ্দিষ্ট আৰু স্থিৰ যোগান সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সৈতে লগ লাগি কাম কৰি আছে। দেশৰ প্ৰতিটো পৰিয়াললৈ বহনসাধ্য মূল্যৰ পিঁয়াজৰ যোগান সুনিশ্চিত কৰাটো চৰকাৰৰ উদ্দেশ্য বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে কৈছে যে, চৰকাৰ পিঁয়াজৰ মূল্যৰ ওপৰত নজৰ ৰাখিবলৈ বদ্ধপৰিকৰ। মন্ত্ৰালয়ে কৈছে যে, কেন্দ্ৰীয় চৰকাৰে ৰেহাই মূল্যত পিঁয়াজৰ খুচুৰা বিক্ৰীৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ বাবে সামগ্ৰী বিধৰ মূল্য হ্ৰাস পাইছে। পাঁচ ছেপ্তেম্বৰৰ পৰা ভ্ৰাম্যমাণৰ বাহনৰ জৰিয়তে প্ৰতি কিলোত ৩৫ টকাৰ ৰেহাই মূল্যত পিঁয়াজৰ খুচুৰা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। দিল্লী, মুম্বাই আৰু চেন্নাইৰ লেখীয়া গুৰুত্বপূৰ্ণ চহৰসমূহত ইতিমধ্যে পাইকাৰী বিক্ৰীৰ উদ্যম আৰম্ভ হৈছে আৰু অনাগত দিনত এই ব্যৱস্থা হায়দৰাবাদ, বেংগালুৰু আৰু কলকাতাসহ সকলো ৰাজ্যৰ ৰাজধানী চহৰলৈ সম্প্ৰসাৰিত কৰা হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.inত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

ব্ৰুছেলছত অনুষ্ঠিত হৈ থকা ডাইমণ্ড লীগৰ ফাইনেলত ভাৰতৰ দুবাৰৰ অলিম্পিক পদক বিজয়ী নীৰজ চোপ্ৰাই দ্বিতীয় স্থান দখল কৰিছে। কালি নিশা অনুষ্ঠিত ফাইনেল খেলখনত ভাৰতীয় এথলীট গৰাকীয়ে ৮৭ দশমিক ৮-৬ মিটাৰ দূৰত্বলৈ জেভলীন নিক্ষেপ কৰি এই পদক হস্তগত কৰে। নীৰজ চোপ্ৰাই মাত্ৰ ১ চেন্টিমিটাৰৰ ব্যৱধানত শীৰ্ষ স্থান লাভ কৰাৰ পৰা

বঞ্চিত হয়। পেৰিছ অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী এণ্ডাৰছন পিটাৰ্ছে ৮৭ দশমিক ৮-৭ মিটাৰ দূৰত্বলৈ জেভলিন নিক্ষেপ কৰি  শীৰ্ষ স্থান দখল কৰে। ইফালে, জাৰ্মানীৰ জুলিয়ান ৱেবাৰে তৃতীয় স্থান দখল কৰে। উল্লেখযোগ্য যে ক্ৰমাগত দ্বিতীয় বাৰৰ বাবে নীৰজ চোপ্ৰাই ডাইমণ্ড লীগত দ্বিতীয় স্থান লাভ কৰিছে। ২০২৩ চনত চেক গণৰাজ্যৰ জাকুব ভাডলেজৰ হাতত নীৰজ চোপ্ৰা পৰাস্ত হৈছিল।  সেইবাৰ নীৰজে ৮৩ দশমিক ৮-০ মিটাৰ নিক্ষেপ কৰাৰ বিপৰীতে ভাডলেজে ৮৪ দশমিক ২-৪ মিটাৰ নিক্ষেপ কৰি প্ৰথম স্থান লাভ কৰিছিল।

০০০০০০

বুডাপেষ্টত অনুষ্ঠিত ২০২৪ বৰ্ষৰ দবা অলিম্পিয়াডত কালি চতুৰ্থ ৰাউণ্ডৰ মুকলি আৰু মহিলা দুয়োটা শাখাতে  ভাৰতীয় দলটোৱে ৩.৫ আৰু ০.৫ ফলাফলত বিজয় সাব্যস্ত কৰে। মুকলি শাখাত ভাৰতীয় দলটোৱে ছাৰবিয়াক পৰাস্ত কৰাৰ বিপৰীতে ভাৰতীয় মহিলা দলে ফ্ৰান্সৰ বিৰুদ্ধে জয়লাভ কৰে। খেলখনৰ আজি পঞ্চম ৰাউণ্ডত মহিলা দলটো  কাজাখস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।আনহাতে মুকলি শাখাৰ পঞ্চম ৰাউণ্ডত ভাৰতীয় দলটো আজাৰবাইজানৰ মুখামুখি হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহত বহু গুৰুত্বপূৰ্ণ বাতৰি বিভিন্ন শিৰোনামেৰে প্ৰকাশ পাইছে। দৈনিক অসম কাকতে **১০ বছৰত উন্নয়নৰ পাৱাৰহাউছ হ'ব অসম** শিৰোনামেৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰা এটা মন্তব্যৰে বাতৰি প্ৰকাশ কৰিছে।

অসমৰ মাৰাডোনা খ্যাত আন্তঃৰাষ্ট্ৰীয় ফুটবলাৰ টছেন বৰাৰ দেহাৱসনাৰ বাতৰিটো দৈনিক জনমভূমি কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। **মধুৰ হৈছে চীন-ভাৰতৰ সম্পৰ্ক** শিৰোনামেৰে এই কাকতখনে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে **গিবনত তেল গেছন খননত কেন্দ্ৰৰ অনুমোদন** শিৰোনামেৰে এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ কৰিছে। **আজি পুৱা ১০ বজাৰ পৰা চাৰে তিনিঘণ্টা ইণ্টাৰনেট কৰ্তন** শিৰোনামেৰে আমাৰ অসম কাকতে ADRE পৰীক্ষা সম্পৰ্কে বাতৰি প্ৰকাশ কৰিছে। এই বাতৰিটো প্ৰতিখন কাকতেই ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

**সোণাপুৰত গো' বেক ধ্বনিৰে কংগ্ৰেছৰ প্ৰতিনিধি দলক বাধা প্ৰদান স্থানীয় ৰাইজৰ** শিৰোনামেৰে অসমীয়া খবৰ কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতে **প্ৰধানমন্ত্ৰী জম্মু-কাশ্মীৰ ভ্ৰমণ ৰক্তাক্ত** শিৰোনামেৰে আন এটা বাতৰি পৰিৱেশন কৰিছে। **অনলাইন ট্ৰেডিঙেৰে সৰকালে ১৪ হাজাৰ কোটি টকা** শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে শেহতীয়া অনলাইন ট্ৰেডিং কেলেংকাৰি সন্দৰ্ভত বাতৰি প্ৰকাশ কৰিছে।

কালি বিভিন্ন ব্যক্তি আৰু প্ৰতিষ্ঠানক আৰ জি বৰুৱা সোঁৱৰণী বঁটা ২০২৪ প্ৰদান কৰা হয়। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে **আৰ জি বৰুৱা মেম'ৰিয়েল এৱাৰ্ডছ ২০২৪ প্ৰেজেণ্টেড** শিৰোনামেৰে প্ৰকাশ কৰিছে।

ৰাজ্যৰ চাহ বাগানসমূহত স্বাস্থ্য ব্যৱস্থা এতিয়াও পুতৌলগা এই সন্দৰ্ভত দা ছেণ্টিনেল কাকতে HEALTH FACILITIES IN TEA ESTATE PAINT A GLOOMY PICTURE শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ২৯ ছেপ্তেম্বৰত স্নাতক, মেট্ৰিক পৰ্যায়ৰ তৃতীয় বৰ্গৰ নিযুক্তি পৰীক্ষা, মণিপুৰত সান্ধ্য আইন শিথিল ভ্ৰমণৰ দাবীৰে প্ৰধানমন্ত্ৰীলৈ স্মাৰক পত্ৰ, গভীৰ সংকটত ইটা ভাটি উদ্যোগ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত